# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত আজি দ্বিতীয় পৰ্যায়ৰ ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ। অসমত পৰৱৰ্তী সময়ত এই সংশোধনী প্ৰক্ৰিয়া ৰূপায়ণৰ ব্যৱস্থা।

২। মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ত পঞ্চম ষান্মাসিকৰ ছাত্ৰী তথা পলিটেকনিক আৰু আই টি আই প্ৰতিষ্ঠানৰ ছাত্ৰীসকলকো সামৰি লোৱাৰ সিদ্ধান্ত।

৩। সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিটিচিত ভূমিপট্টা বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ প্ৰকাশ।

৪। নেলীত আজি পুৱতি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন লোক থিতাতে নিহত। **আৰু**

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত কাইলৈ গুৱাহাটীত দক্ষিণ আফ্ৰিকা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত আজি দ্বিতীয় পৰ্যায়ৰ ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হ'ব। অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। অৱশ্যে এই ৰাজ্যসমূহৰ ভিতৰত অসমক অন্তৰ্ভুক্ত কৰা হোৱা নাই। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কালি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে এই পৰ্যায়ত উত্তৰ প্ৰদেশ, গুজৰাট, মধ্যপ্ৰদেশ, চত্তিশগড়, ৰাজস্থান, তামিলনাডু, পশ্চিমবংগ, গোৱা, কেৰালা, পুডুচেৰী, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ তথা লাক্ষাদ্বীপত এই প্ৰক্ৰিয়া ৰূপায়ণ কৰা হ'ব। আজিৰে পৰা অহা ৩ নৱেম্বৰলৈ ভোটাৰ গণনা প্ৰপত্ৰ ছপা কৰাৰ লগতে বুথ পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। অহা ৪ ডিচেম্বৰলৈ এই গণনা প্ৰক্ৰিয়া চলি থাকিব আৰু খচৰা ভোটাৰ তালিকা ৯ ডিচেম্বৰত প্ৰকাশ পাব।

ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীৰ দ্বিতীয় পৰ্যায়ত অসমকো সামৰি লোৱাৰ কথা আছিল যদিও অৱশেষত অসমক এই পৰ্যায়ত বাদ দিয়া হয়। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে এই সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত কয়, যে অসমত নাগৰিকত্ব আইনৰ নিজা বিধান আছে আৰু ৰাজ্যখনত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী অৰ্থাৎ এন আৰ চিৰ কাম সম্পূৰ্ণ হোৱাৰ পথত আগবঢ়াৰ পৰিপ্ৰেক্ষিততে অসমক এইবাৰ ভোটাৰ তালিকাৰ সংশোধনীৰ পৰা বাহিৰত ৰখা হৈছে। অসমৰ বাবে পৰৱৰ্তী সময়ত সুকীয়া নিৰ্দেশ জাৰি কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (জ্ঞানেশ কুমাৰ)**

০০০০০০

ৰাজ্য চৰকাৰে নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰি আহিছে। চৰকাৰী চাকৰিকে ধৰি ব্যক্তিগত খণ্ড তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিয়োগৰ সুযোগ সৃষ্টি কৰি তেওঁলোকক সফলতাৰ দিশে লৈ যোৱাৰ ক্ষেত্ৰত সহায় কৰা হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ চেক বিতৰণ

কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশ লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। ডঃ শৰ্মাই নিযুত মইনা আঁচনিয়ে ২০২৫-২৬ বৰ্ষত ৰাজ্যৰ ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক উপকৃত কৰিব বুলি উল্লেখ কৰে। তেওঁ লগতে এই আঁচনিৰ দ্বিতীয় পৰ্যায়ত পঞ্চম ষান্মাসিকৰ ছাত্ৰী তথা পলিটেকনিক আৰু আই টি আই প্ৰতিষ্ঠানৰ ছাত্ৰীসকলকো সামৰি লোৱা হ'ব বুলি ঘোষণা কৰে।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে বাল্যবিবাহ ৰোধ হৈছে বুলি উল্লেখ কৰে। তেওঁ বাল্যবিবাহৰ ঘটনাৰ পৰা ৰাজ্যৰ কন্যাসকলক সম্পূৰ্ণৰূপে মুক্ত কৰাৰ দৃঢ় সংকল্পৰ কথা দোহাৰে। ড০ শৰ্মাই বহু বিবাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও প্ৰকাশ কৰে।

০০০০০০

কোকৰাঝাৰৰ বিটিচি সচিবালয়ত কালি বিটিচিৰ কাৰ্যবাহী পৰিষদৰ এখন বৈঠক অনুষ্ঠিত হয়। বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত প্ৰশাসনিক আৰু উন্নয়ন বিষয়ক ভালেমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত বিটিচিৰ সকলো কাৰ্যবাহী সদস্য, মুখ্য সচিব আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীমহিলাৰীয়ে কয়, যে সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিটিচিত ভূমিপট্টা বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ভূমি আৰু ৰাজহ বিভাগত কৰ্মচাৰীৰ সংখ্যা কম হোৱাৰ বাবে বিটিচি প্ৰশাসনে অস্থায়ীভাৱে ২৯ জন অৱসৰপ্ৰাপ্ত মণ্ডল আৰু কাননগ'ক নিযুক্তি দিয়াৰ সিদ্ধান্ত লৈছে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ভূমি সম্পৰ্কীয় সেৱাৰ কাম ক্ষিপ্ৰতৰ কৰি তোলাৰ বাবে মণ্ডলৰ প্ৰশিক্ষণ সমাপ্ত কৰা ২০০ প্ৰশিক্ষিত নিবনুৱা যুৱক-যুৱতীক নিয়োগ কৰা হ'ব। শ্ৰীমহিলাৰীয়ে বিভাগীয় বিভিন্ন ক্ষেত্ৰৰ পৰ্যালোচনাৰ বাবে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে বৈঠকত মিলিত হ'ব বুলি প্ৰকাশ কৰে।

**ৰাইট (হাগ্ৰামা)**

ইপিনে বিটিচি চৰকাৰত বিজেপিৰ দুজন কাৰ্যবাহী সদস্য থাকিব বুলি উল্লেখ কৰি শ্ৰীমহিলাৰীয়ে পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী সদস্যগৰাকীও বিজেপিৰে হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০

গুৱাহাটী মহানগৰীৰ দিশপুৰ আৰক্ষীয়ে বীৰ লাচিত সেনা নামৰ সংগঠনৰ মুখ্য সচিবকে ধৰি ৮ জন সদস্যক ধন দাবী আৰু অপহৰণৰ গোচৰত কালি আটক কৰাৰ পাছতেই সংগঠনটোৰ প্ৰশাসনিক সচিব শৃংখল চলিহাই কালি শিৱসাগৰত এখন সংবাদমেলৰ আয়োজন কৰে। তেওঁ এই বিষয়টোক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শীঘ্ৰেই তেওঁলোকক মুকলি কৰি দিবলৈ চৰকাৰক দাবী জনায়। শৃংখল চলিহাই বীৰ লাচিত সেনাৰ বিৰুদ্ধে চৰকাৰে ৰাজনৈতিক ষড়যন্ত্ৰ কৰা বুলিও অভিযোগ উত্থাপন কৰে। তেওঁ লগতে সংগঠনটো কেৱল অসম আৰু অসমীয়াৰ বাবেহে দায়বদ্ধ বুলি উল্লেখ কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ধন দাবী আৰু অপহৰণৰ এটা গোচৰত যোৱা দেওবাৰে আৰক্ষীয়ে ৮ জনক গ্ৰেপ্তাৰ কৰিছিল আৰু ইয়াৰে ৫ জনেই বীৰ লাচিত সেনা নামৰ সংগঠনৰ সদস্য বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছিল। এই সন্দৰ্ভত কালি সংগঠনটোৰ মুখ্য সচিব ৰণ্টু পানী ফুকন আৰু কেন্দ্ৰীয় সমিতিৰ সদস্য তন্ময় ফুকনে সংবাদমেলৰ আয়োজন কৰা অৱস্থাতে আৰক্ষীয়ে তেওঁলোকক আটক কৰে। আৰক্ষীয়ে দিশপুৰ থানাত তেওঁলোকক সোধা-পোছা অব্যাহত ৰাখিছে।

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বীৰ লাচিত সেনাৰ শেহতীয়া কাৰ্যকলাপক লৈ গভীৰভাৱে অসন্তুষ্ট বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। শেহতীয়াকৈ বিভিন্ন আপত্তিজনক মন্তব্য কৰা সংগঠনটোৰ এজন শীৰ্ষ নেতাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০

মৰিগাঁও জিলাৰ নেলীত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱতি নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন লোক থিতাতে নিহত হয়। নিহত লোককেইজন চিকিৎসক ডাঃ কণ্ঠেশ্বৰ বৰদলৈ, মানস মহন্ত, আশ্বিক হুছেইন বুলি জানিব পৰা গৈছে। উল্লেখযোগ যে জাগীৰোডৰ পৰা নগাঁও অভিমুখে গৈ থকা তেওঁলোকৰ বাহনখন পথৰ দাঁতিত নিয়ন্ত্ৰণ হেৰুৱাই ৰেলিঙত খুন্দা মাৰে আৰু বাহনখন চূৰ্ণ-বিচুৰ্ণ হয়। দুৰ্ঘটনাত আহত আন দুজন লোকক মৰিগাঁও অসামৰিক চিকিৎসালয়ত সংকটজনক অৱস্থাত ভৰ্তি কৰোৱা হৈছে বুলি আমাৰ মৰিগাঁৱৰ সংবাদদাতাই জনাইছে।

০০০০০০

ষট্ পূজা উপলক্ষে কালি ৰাজ্যখনত বাস কৰা হিন্দীভাষী উত্তৰ-ভাৰতীয় লোকসকলে বিভিন্ন প্ৰান্তৰ নৈৰ পাৰ, ঘাটসমূহত নৈবদ্য আগবঢ়াই আৰাধনা কৰিবলৈ সমবেত হয়। কালি নিশাটো বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ মাজেৰে নৈৰ ঘাটতে থাকি ভক্তসকলে আজি পুৱা উদিত সূৰ্য্যক প্ৰণাম কৰি পূজা-অৰ্চনা আগবঢ়ায়। ইয়াৰ লগে লগে আজি পূজাৰ সামৰণিও পৰে।

অসমৰ বিভিন্ন জিলাত এই পূজা অনুষ্ঠিত হৈছে। গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ কছাৰীঘাটত কালি বিয়লিৰ পৰা অগণন লোকে ফল-মূল, পিঠাপনা আদি আগবঢ়াই অস্তমিত সূৰ্য্য দেৱতাক আৰাধনা কৰি আজি পুৱা উদিত সূৰ্য্যক ভক্তসকলে আৰাধনা কৰে। কামৰূপ জিলাৰ আমিনগাওঁৰ শৰাইঘাট দলঙৰ সমীপত ব্ৰহ্মপুত্ৰৰ পাৰত আজি বহু লোক সমবেত হৈ এই পূজা সম্পন্ন কৰিছে। গুৱাহাটী মহানগৰীৰ পাণ্ডু ঘাট, পানবজাৰ, উজানবজাৰ, খাৰঘুলিকে ধৰি ভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰৰ পাৰত সমবেত হৈ ভক্তসকলে অস্তমিত সূৰ্য্যলৈ নৈবদ্য আগবঢ়োৱাৰ লগতে আজি পুৱা উদিত সূৰ্যক প্ৰণাম জনাই পূজাৰ সামৰণি পেলায়।

বিশ্বনাথ জিলাৰ বিহালী, গহপুৰ আদি অঞ্চলত ষট্ পূজা পালন কৰা হৈছে। এই পূজাই পৰিয়ালৰ সুখ সমৃদ্ধি আৰু সন্তানৰ কল্যান কৰে বুলি বিশ্বাস কৰা হয়। **ধেমাজী জিলা**তো পৰম্পৰাগত ৰীতি নীতিৰে ষট পূজা পালন কৰা হয়। জিলাখনৰ সদৰৰ টেলিজান ঘাটৰ লগতে চিলাপথাৰ, জোনাই আৰু গোগামুখৰ ঘাটসমূহতো ভক্তসকলে ধূপ, ধূনা, নৈবদ্য, ফল মূল আদিৰে সূৰ্য্য দেৱতাক আৰাধনা কৰে।

শিলচৰত এই উৎসৱ উপলক্ষে বৰাক নদীৰ অন্নপূৰ্ণা ঘাট, ৰংপুৰ ঘাট, বৰম বাবা, এন আই টি শিলচৰৰ জলাশয়ৰ ভালেসংখ্যক লোক সমবেত হৈ পূজা-অৰ্চনা কৰে। হোজাই জিলাৰ লংকা লংকেশ্বৰী ষট্ ঘাটত পূজা সমিতিয়ে দুদিনীয়া কাৰ্যসূচীৰে ষট্ পূজা পালন কৰে।

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণী, বৈঠালাংছ' আৰু হামৰেণত বাস কৰা ভোজপুৰী সম্প্ৰদায়ৰ লোকসকলৰ লগতে বঙালী সম্প্ৰদায়ৰ লোকসকলেও এই পূজাত অংশগ্ৰহণ কৰা বুলি আমাৰ সংবাদদাতাই জনাইছে।

হিন্দু ধৰ্মাৱলম্বীসকলৰ পৱিত্ৰ উৎসৱ ষট্ পূজা উপলক্ষে কালি তৃতীয় দিনটোত শিৱসাগৰৰ দিখৌ নদীৰ পাৰত হিন্দীভাষী উত্তৰ-ভাৰতীয় লোকসকলৰ ব্যাপক সমাগম পৰিলক্ষিত হয়। ভক্তসকলে ধৰ্মীয় ৰীতি-নীতি পালনৰ লগতে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। ইপিনে পূৰ্বোত্তৰ হিন্দুস্তানী যুৱ মঞ্চৰ উদ্যোগত শিৱসাগৰৰ থানা ঘাটত কালি অসংখ্য ভক্তৰ ভিৰ দেখা যায়। বিগত দিনকেইটাত ভক্তসকলে ব্ৰত, উপবাস, আদি ৰাখি আজি সূৰ্য উদয়ৰ পৱিত্ৰ ক্ষণত সূৰ্য দেৱতাক অৰ্ঘ প্ৰদান কৰি ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা সমাপন কৰে।

০০০০০০

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ ১১১ নম্বৰ ৰংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত খেৰনিস্থিত কপিলী মহাবিদ্যালয় খেলপথাৰত আজি শুশ্ৰুষা সেঁতু শীৰ্ষক এটা স্বাস্থ্য শিবিৰ আয়োজন কৰা হৈছে। বিধায়ক ৰূপ সিং টেৰনে এই শিবিৰ মুকলি কৰিব। ১৮ বছৰ অনুৰ্ধ ৩৫ হাজাৰৰো অধিক ৰোগীক এই শিবিৰত স্বাস্থ্য পৰীক্ষাৰ লক্ষ্য লোৱা হৈছে। এই স্বাস্থ্য শিবিৰত বিশেষজ্ঞ চিকিৎসকৰ জৰিয়তে স্বাস্থ্য পৰীক্ষা কৰোৱা হ'ব বুলি জিলা স্বাস্থ্য বিভাগে প্ৰকাশ কৰে।

০০০০০০

কাছাৰ আৰক্ষীয়ে কালি কাছাৰত পুনৰ এগৰাকী ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। ইয়াকে ধৰি জিলাখনত গ্ৰেপ্তাৰ হোৱা ভুৱা চিকিৎসকৰ সংখ্যা ১৫লৈ বৃদ্ধি হৈছে। বিগত কেইবাটাও দিনত আৰক্ষীয়ে জিলাখনত ভুৱা চিকিৎসকৰ সন্ধানত অভিযান চলাই আহিছে। এই অভিযানত আৰক্ষীয়ে কালি সোণাই থানাৰ অন্তৰ্গত নগদিৰগ্ৰামৰ বাসিন্দা ডাঃ ৰাজুল হক লস্কৰক গ্ৰেপ্তাৰ কৰিছে। অভিযুক্তগৰাকীয়ে নিজকে চিকিৎসক হিচাপে ভুৱা পৰিচয়েৰে বেবী হেলথ কেয়াৰ নামৰ এখন ক্লিনিক অবৈধভাৱে চলাই আহিছিল।

০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল কাইলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব। বি চি চি আইৰ সচিব দেৱজিৎ লন শইকীয়াই কালি এখন সংবাদমেলত এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে ছেমি ফাইনেলৰ বাবে বৰ্ষাপাৰা ষ্টেডিয়ামত সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। কাইলৈ ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অসমত প্ৰথমবাৰৰ বাবে হ'বলগীয়া মহিলা বিশ্বকাপ ক্ৰিকেটৰ ছেমি ফাইনেল খেলখনৰ বাবে বুক মাই শ্ব'ত টিকট উপলব্ধ বুলি শ্ৰীশইকীয়াই জানিবলৈ দিয়ে।

০০০০০০

দেশৰ ১২ খন ৰাজ্যত প্ৰযোজ্য হ'ব ভোটাৰ তালিকাৰ বিশেষ ব্যাপক সংশোধনী, চৰকাৰৰ ৰোষত বীৰ লাচিত সেনা, ৩৮ লাখ মহিলা আৰু তিনি লাখ ৫০ হাজাৰ ছাত্ৰীক মুখ্যমন্ত্ৰীয়ে দিব বিশেষ উপহাৰ আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

ঢাকাত পাক জেনেৰেলক বাংলাদেশৰ তত্বাবধায়ক চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে প্ৰদান কৰা আৰ্ট অফ ট্ৰিয়াম্ফ গ্ৰন্থত সন্নিৱিষ্ট এখন বিতৰ্কিত মানচিত্ৰক লৈ সৃষ্টি হোৱা তীব্ৰ বিতৰ্কৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আজি দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত  আজিৰে পৰা অহা ৭ ফেব্ৰুৱাৰীলৈ ভোটাৰ তালিকাৰ বিশেষ ব্যাপক সংশোধন কৰা হ'ব। অৱশ্যে অসমৰ বাবে এই প্ৰক্ৰিয়াৰ বাবে পৰৱৰ্তী সময়ত সুকীয়া নিৰ্দেশনা প্ৰকাশ কৰা হ'ব। এই বাতৰিটো দৈনিক জনমভূমি, দৈনিক অসম, দ্যা ছেণ্টিনেল আদি কাকতে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

গুৱাহাটীৰ সৰু সজাই ক্ৰীড়া প্ৰকল্পত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যৰ ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ চেক বিতৰণ কৰা বাতৰি নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ আদিৰ লগতে প্ৰায় কেইখন কাকতে প্ৰকাশ কৰিছে।

আলফাৰ দৰেই বীৰ লাচিত সেনাও নিষিদ্ধ হ'ব পাৰে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যৰ বাতৰি আমাৰ অসম আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অহা ২৫ নৱেম্বৰৰ পৰা অসম বিধানসভাৰ শীতকালীন অধিৱেশন আৰম্ভ হ'ব। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

০০০০০০

উত্তৰ-লখিমপুৰ নগৰৰ চিনাতলীয়া নিবাসী পুতুল চন্দ্ৰ নাথৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। চহৰখনৰ বিভিন্ন সামাজিক তথা সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত নাথৰ মৃত্যুৰ সময়ত বয়স আছিল ৬০ বছৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী

ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে ত্ৰিপুৰাত বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত